জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯৭/২০২০

উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ ভিডিঅ' কনফাৰেঞ্চ

# শ্ৰীৰামপুৰ আৰু বক্সিৰহাট গে'টেৰে অসমত প্ৰৱেশ কৰা প্ৰতিখন ট্ৰাকৰ ড্ৰাইভাৰ-হেণ্ডিমেনক উপযুক্ত স্বাস্থ্য পৰীক্ষা কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## আন্তঃৰাজ্যিক সীমান্তৰ গাঁওসমূহত বাইজৰ আহ-যাহৰ ক্ষেত্ৰত তীক্ষ্ণ নজৰ ৰাখিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২১ এপ্ৰিল ঃ** কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ আন্তঃৰাজ্যিক সীমান্তৰ শ্ৰীৰামপুৰ আৰু বক্সিৰহাট গে'টেৰে অসমত প্ৰৱেশ কৰা প্ৰতিখন ট্ৰাকৰ ড্ৰাইভাৰ আৰু হেণ্ডিমেনসকলৰ উপযুক্ত স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে জিলা দুখনৰ উপায়ুক্তক নিৰ্দেশ দিছে। আজি জনতা ভৱনত ৰাজ্যৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে অনুষ্ঠিত এক ভিডিঅ' কনফাৰেঞ্চত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে। জিলা দুখনৰ আন্তঃৰাজ্যিক সীমান্তৰ গাঁওসমূহৰ ৰাইজৰ মাজত যাতে জনসাধাৰণৰ অবাধ আহ-যাহ নহয়, তাৰ বাবে তীক্ষ্ম নজৰ ৰাখিবলৈ আৰু এই ক্ষেত্ৰত সংশ্লিষ্ট গাঁওবাসীক সজাগ আৰু সচেতন কৰি তোলাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে প্ৰশাসনক নিৰ্দেশ দিয়ে। দ্বিতীয় পৰ্যায়ৰ লক্-ডাউনৰ সময়ছোৱাত জিলাসমূহৰ আইন-শৃংখলা পৰিস্থিতি আৰু অন্যান্য দিশসমূহৰ পৰ্যালোচনা কৰাৰ বাবে আয়োজিত এই ভিডিঅ' কনফাৰেঞ্চত জিলা পৰিষদ, কৃষি বিভাগ, উদ্যোগ বিভাগ, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সৈতে জড়িত বিভিন্ন আনুসংগিক দিশো পৰ্যালোচনা কৰা হয়।

লক্-ডাউনৰ সময়ত যাতে ৰাজ্যৰ কোনো এগৰাকী দৰিদ্ৰ লোকেই খাদ্যৰ অভাৱত ভূগিবলগীয়া নহয় সেয়া সুনিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ কাৰ্ড নথকা দৰিদ্ৰ হিতাধিকাৰীসকলক ৰাজ্য চৰকাৰে আগবঢ়োৱা ১ হাজাৰ টকাৰ এককালীন সাহায্যৰ লগতে এনে প্ৰতিটো পৰিয়ালৰ সদস্যসকলক প্ৰতিমাহে ৫ কেজিকৈ চাউল আগবঢ়োৱাৰ কথাও অলপতে ঘোষণা কৰিছে। এই সাহায্য বিতৰণৰ ক্ষেত্ৰত যাতে কোনোধৰণৰ বেমেজালি নহয় সেয়া নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত খেলি-মেলি কৰা কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ আৰু দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুসৰি যিহেতু অসম চৰকাৰেও সম্প্ৰতি কৃষিকৰ্মক লক্-ডাউনৰ আওতাৰ পৰা ৰেহাই দিছে, সেয়েহে এই ক্ষেত্ৰত জড়িত কৃষকসকলৰ যাতে কোনো ধৰণৰ সমস্যা নহয় সেয়া সুনিশ্চিত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে জিলা কৃষি বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ কয় যে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৰাজ্যৰ প্ৰতিখন ৰাজহ গাঁৱতে আগবঢ়োৱা ট্ৰেক্টৰসমূহ যাতে কৃষিকৰ্ম ব্যতিৰেকে আন ক্ষেত্ৰত ব্যৱহাৰ নহয়, সেয়া কৃষি বিষয়াসকলে সুনিশ্চিত কৰিব লাগিব। এনে প্ৰতিখন ট্ৰেক্টৰে এই পৰ্যন্ত কিমান পৰিমাণৰ মাটি চহাইছে তাৰ হিচাপ ৰখাৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে কৃষি

বিষয়াসকলক নিৰ্দেশ দিয়ে। কৃষকসকলে যাতে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ উপযুক্ত বজাৰ লাভ কৰে তাৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে কৃষি বিষয়াসকলক নিৰ্দেশ দিয়ে। লক্-ডাউনৰ সময়ছোৱাত জিলাসমূহত পশুখাদ্য পৰ্যাপ্ত ৰূপত উপলব্ধ হোৱাৰ লগতে মূল্যবৃদ্ধি নোহোৱাটো সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা পশু চিকিৎসা বিষয়াসকলক নিৰ্দেশ দিয়ে। পোহনীয়া জীৱ-জন্তুক প্ৰয়োজনসাপেক্ষে ঘৰে ঘৰে গৈ প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা গ্ৰহণৰ বাবেও তেওঁ পশু চিকিৎসা বিষয়াসকলক নিৰ্দেশ দিয়ে। মীনপালকসকল যাতে এই সময়ছোৱাত কোনোধৰণৰ অসুবিধা নহয়, সেয়া সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা মীন বিষয়াসকলক নিৰ্দেশ দিয়ে।

লক্-ডাউনৰ সময়ছোৱাত পঞ্চাছ শতাংশ কৰ্মচাৰীৰে সৈতে কাম-কাজৰ অনুমতি প্ৰদান কৰা ৰাজ্যৰ প্ৰতিখন চাহ বাগিচাতে যাতে শ্ৰমিকসকলে সামাজিক দূৰত্বকে ধৰি স্বাস্থ্যসন্মত নীতি-নিয়মসমূহ কঠোৰভাৱে মানি চলে সেয়া সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে উপাযুক্ত আৰু আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়ে। কৰ্মস্থলীত শ্ৰমিকসকলৰ বাবে মাস্কৰ যোগান, হাত ধোৱাৰ বাবে চাবোন আৰু পানীৰ পৰ্যাপ্ত ব্যৱস্থা কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। বাগিচাৰ কলঘৰসমূহলৈ কাৰিকৰী সঁজুলি যোগান আৰু মেৰামতিৰ বাবে বাহিৰৰ পৰা অহা প্ৰতিগৰাকী ব্যক্তিকে যাতে বাগিচা কৰ্তৃপক্ষই উপযুক্ত স্বাস্থ্য পৰীক্ষাৰ পিছতহে প্ৰৱেশ কৰিবলৈ অনুমতি দিয়ে, সেয়া সুনিশ্চিত কৰিবলৈও তেওঁ প্ৰশাসনক নিৰ্দেশ দিয়ে। ক্ষুদ্ৰ চাহ খেতিয়কসকলে যাতে বাগিচালৈ অহা-যোৱা আৰু বটলিফ ফেক্টৰিলৈ কেঁচা পাত সৰবৰাহৰ ক্ষেত্ৰত কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰী সোণোৱালে উপাযুক্তসকলক নিৰ্দেশ দিয়ে।

কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি লক্-ডাউনৰ সময়ত কালিৰে পৰা ৰাজ্য চৰকাৰে যিসমূহ ক্ষেত্ৰত কাম-কাজৰ অনুমতি প্ৰদান কৰিছে সেই ক্ষেত্ৰত সঠিকভাৱে চকু ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে উপাযুক্ত আৰু আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়ে। অনুমোদিত সেৱাসমূহৰ বাহিৰে অন্য কোনো লোকে যাতে অবাধে বিচৰণ কৰি লক্-ডাউন উলংঘা নকৰে সেই ক্ষেত্ৰত তীক্ষ্ণ নজৰ ৰাখিবলৈ তেওঁ প্ৰশাসনক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে প্ৰতিখন জিলাৰে বিভিন্ন ক্ষেত্ৰৰ নেতৃস্থানীয় ব্যক্তিসকল, আশা, অংগনৱাড়ী কৰ্মী, গাঁওবুঢ়া, আত্ম-সহায়ক গোট, স্বেচ্ছাসেৱী সংস্থা আদিৰ লগত টেলিফোনযোগে সঘনে যোগাযোগ ৰক্ষা কৰি তেওঁলোকৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰিবলৈ উপাযুক্তসকলক নিৰ্দেশ দিয়ে। এই পদক্ষেপে তেওঁলোকৰ মনোবল বৃদ্ধিৰ লগতে জনসাধাৰণক প্ৰশাসনৰ কাষ চপাই আনিব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

আজিৰ ভিডিঅ' কনফাৰেঞ্চত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

**স্বাঃডেঃ / প্ৰঃকুঃবঃ / পুঃডেঃ**
**২১/৪/২০২০**